**ভাৰত চৰকাৰ আৰু অন্যান্য**

**বনাম**

**ৰাবিয়া বিকানেৰ আদি**

**৭ জুলাই, ১৯৯৭**

**[ন্যায়াধীশ কে. ৰামস্বামী আৰু ন্যায়াধীশ ডি.পি.ৱাধৱা ]**

সেৱা আইন :

ৰেলৱে কৰ্মচাৰীৰ পৰিয়াল পেঞ্চন আঁচনি, ১৯৬৪- অনিয়মিত শ্ৰমিক-ছমাহ কাম কৰাৰ পিছত অস্থায়ী কৰ্মীৰ মৰ্যাদা-অস্থায়ী পদত নিযুক্তিৰ পূৰ্বে শ্ৰমিকৰ মৃত্যু-বিধৱা পত্নীৰ পৰিয়াল পেঞ্চন দাবী-মতপোষণ কৰা হয় যে বিধৱা পত্নী গৰাকী পৰিয়াল পেঞ্চনৰ অধিকাৰী নহয়-যদিহে ন্যায়াধিকৰণৰ নিৰ্দেশ অনুসৰি তেওঁক কোনো ধন দিয়া হৈছে, তেন্তে সেই ধন ঘূৰাই লব নোৱাৰিব।

ৰাম কুমাৰ বনাম ভাৰত চৰকাৰ, (১৯৮৮) ২ এছ.চি.আৰ ১৩৮ আৰু ভাৰত চৰকাৰ বনাম সুকান্তি আৰু আন এজন, ৯৭ (৫) স্কেল ৪৯৪ৰ (SCALE 494), ওপৰত নিৰ্ভৰ কৰা হৈছে।

প্ৰভৱতী দেৱী বনাম ভাৰত চৰকাৰ, (১৯৯৬) ৭ এছচিচি ২৭, প্ৰযোজ্য নহয় বুলি মতপোষণ কৰা হয়।

দেৱানী আপীল অধিকাৰক্ষেত্ৰ: দেৱানী আপীল নং ৪৩৭৩/১৯৯৭ ইত্যাদি।

কেন্দ্ৰীয় প্ৰশাসনিক ন্যায়াধিকৰণ যোধপুৰৰ ৮.৩.৯৬ তাৰিখৰ ৰায় আৰু আদেশৰ পৰা। অ'.এ. নং ৪৭৪/১৯৯৪ ( 0.A. No. 474 of 1994.)

পক্ষসমূহৰ হৈ উপস্থিত আছে– এ. এম. সিংভি, অতিৰিক্ত ছলিচিটৰ জেনেৰেল, এইচ. এল. আগৰৱাল, এ. ডি. এন. এফ ৰাও, অৰবিন্দ কুমাৰ শৰ্মা, অনুভা জৈন, এছ. ডব্লিউ. এ. কাদৰী, ইন্দ্ৰ চাওনি, ডি. পি. জি. মুখাৰ্জী, বি. কে. গুপ্তা, নন্দিনী মু খাৰ্জী, এছ. কে. শ্ৰীবাস্তৱ, কে. এল. জাঞ্জানী, সুমন্ত ভৰদ্বাজ, দেৱেন্দৰ কুমাৰ, জি. এল. দেৱেনেই আৰু মৃদুলা ৰয় ভৰদ্বাজ।

ন্যায়ালয়ে তলত দিয়া আদেশ জাৰি কৰে:

অনুমতি প্ৰদান কৰা হ'ল।

নিৰ্ণয়ৰ বাবে উত্থাপিত আইনৰ প্ৰশ্নটো হ'ল: ৰে'লৱে প্ৰতিষ্ঠানৰ এজন সাময়িক শ্ৰমিক, যিজনে ছমাহৰ সেৱা আগবঢ়াই অস্থায়ী কৰ্মীৰ মৰ্যাদা লাভ কৰিছিল, কিন্তু পৰীক্ষাৰ পিছত অস্থায়ী পদত নিযুক্তি পোৱাৰ আগতে মৃত্যুবৰণ কৰিছিল, ১৯৬৪ চনৰ পৰিয়াল পেঞ্চন আঁচনিৰ অধীনত তেওঁৰ বিধৱা পত্নীয়ে পৰিয়াল পেঞ্চন দাবী কৰিব পাৰিবনে? ৰাম কুমাৰ বনাম ভাৰত চৰকাৰ (১৯৮৮)২ এছ.চি.আৰ. ১৩৮ ১৪৪ত) গোচৰত এই প্ৰশ্নটো এই ন্যায়ালয়ৰ এক পীঠে বিবেচনা কৰিছিল। য'ত এই ন্যায়ালয়ে এনেদৰে ৰায় দিছিল:

"বিজ্ঞ অতিৰিক্ত ছলিচিটৰ জেনেৰেলে উপস্থাপন কৰা যুক্তিটো হ'ল যে অস্থায়ী ৰে'লৱে কৰ্মচাৰীও পেঞ্চনৰ সুবিধাৰ অধিকাৰী নহয়, আৰু সেয়েহে অস্থায়ী মৰ্যাদা লাভ কৰা অনিয়মিত শ্ৰমিকসকলে অৱসৰ সম্পৰ্কীয় কোনো সুবিধা দাবী কৰিব নোৱাৰে। ৰেলৱে প্ৰতিষ্ঠানৰ মেনুৱেলৰ বিভিন্ন বিধানৰ লগতে প্ৰশাসনে জাৰি কৰা বিভিন্ন আদেশ আৰু নিৰ্দেশনা আমাক

দেখুওৱা হৈছে। আমি বিজ্ঞ অতিৰিক্ত ছলিচিটৰ জেনেৰেলৰ সৈতে একমত যে অৱসৰৰ পিছত পেঞ্চনৰ সুবিধা কোনো শ্ৰেণীৰ কৰ্মচাৰীৰ বাবে গ্ৰহণযোগ্য নহয়।"

ৰে'লৱে ব'ৰ্ডে ১৯৬৫ চনৰ ২৬ অক্টোবৰৰ এছ. নং- ৩২১৪-চাৰ্কুলাৰ নং ৭২০-ই/অ'-৯ (পেঞ্চন) পত্ৰত এই প্ৰশ্নটো পৰীক্ষা কৰাৰ পিছত উল্লেখ কৰিছিল যে "ৰে'ল কৰ্মচাৰীৰ পৰিয়াল পেঞ্চন আঁচনি, ১৯৬৪ পেঞ্চনযোগ্য প্ৰতিষ্ঠানৰ নিয়মীয়া কৰ্মচাৰীৰ ক্ষেত্ৰত প্ৰযোজ্য।যিহেতু অনিয়মিত শ্ৰমিকসকলক নিয়মীয়া অস্থায়ী পদত মকৰলৰ পিছতহে পেঞ্চনযোগ্য প্ৰতিষ্ঠানলৈ অনা হ'ব, গতিকে নিয়মীয়া অস্থায়ী পদত মকৰলৰ তাৰিখৰ পৰা তেওঁলোক এই আঁচনিৰ অন্তৰ্ভুক্ত হ'ব। অৰ্থাৎ, যদি সেৱাত থকাৰ সময়ত এনে কৰ্মচাৰীৰ মৃত্যু হয়, তেতিয়াহলে তেওঁ ৰে'ল কৰ্মচাৰীৰ পৰিয়াল পেঞ্চন আঁচনি, ১৯৬৪ৰ সুবিধা লাভ কৰিব যদিহে তেওঁ নিয়মীয়া অস্থায়ী পদত নিযুক্তি পোৱাৰ তাৰিখৰ পৰা এবছৰ নিৰন্তৰ সেৱাৰ নূন্যতম সময়সীমা সম্পূৰ্ণ কৰিছিল।

উত্তৰদাতা-বিধৱা গৰাকীক প্ৰতিনিধিত্ব কৰা বিজ্ঞ অধিবক্তা জনে দাবী কৰিছিল যে ৰেলৱে প্ৰতিষ্ঠান মেনুৱেলৰ ২৫১১ নং অনুচ্ছেদৰ অধীনত - "ছমাহৰ অবিৰত সেৱা সম্পূৰ্ণ কৰাৰ পিছত অস্থায়ী হিচাপে গণ্য কৰা শ্ৰমিকসকলে অধিকাৰ আৰু সুবিধাসমূহ লাভ কৰে।"- তেওঁলোকে পাৰিয়াল পেঞ্চনৰ অধিকাৰী।এই যুক্তিটো মানি লোৱাটো আমাৰ বাবে কঠিন। দেখা যায় যে ছমাহৰ বাবে ৰে'ল প্ৰশাসনত নিয়োজিত প্ৰতিজন অনিয়মিত শ্ৰমিক অস্থায়ী মৰ্যাদাৰ অধিকাৰী আৰু তাৰ পিছত তেওঁলোকক তালিকাভুক্ত কৰা হয়।নিযুক্তিৰ পিছত তেওঁলোকক যোগ্য কৰ্তৃপক্ষই পৰীক্ষা কৰিব লাগিব আৰু নিয়মীয়া প্ৰতিষ্ঠানত অস্থায়ী পদ খালী হ'লে তেওঁলোকক যোগ্যতাৰ ভিত্তিত পৰীক্ষা কৰি নিযুক্তি দিব লাগে। নিযুক্তিৰ পিছত তেওঁলোকে অস্থায়ী

পদত নূন্যতম এবছৰ সেৱা আগবঢ়াব লাগিব। ওপৰোক্ত পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি অস্থায়ী পদত নিযুক্তিৰ পিছত এবছৰৰ প্ৰয়োজনীয় নূন্যতম সেৱা আগবঢ়োৱা কৰ্মচাৰীসকলৰ ভিতৰৰ কোনো কৰ্মচাৰীৰ যদি সেৱাত থকাৰ সময়তে মৃত্যু হয়, তেন্তে তেওঁৰ বিধৱা পত্নী পাৰিয়াল পেঞ্চন আঁচনি, ১৯৬৪ৰ অধীনত পেঞ্চনৰ বাবে যোগ্য হ'ব। এই সকলোবোৰ ক্ষেত্ৰতে যদিও কিছুমান ব্যক্তিৰ নিযুক্তি পৰীক্ষা কৰা হৈছিল, তথাপিও নিযুক্তি দিয়া হোৱা নাছিল কাৰণ অস্থায়ী পদ খালী হোৱা নাছিল বা, কিছুমানৰ ক্ষেত্ৰত, তেওঁলোকৰ মৃত্যুৰ পিছতহে পদসমূহ খালী হৈছিল। উপৰুক্ত কাৰণ সমূহৰ বাবে উত্তৰদাতা বিধৱাসকল পৰিয়াল পেঞ্চনৰ সুবিধা লাভৰ বাবে যোগ্য নহয়।

বিজ্ঞ অধিবক্তা জনে প্ৰভৱতী দেৱী বনাম ভাৰত চৰকাৰ [১৯৯৬] ৭ এছ.চি.চি ২৭ গোচৰৰ সিদ্ধান্তৰ ওপৰত দৃঢ় ভাৱে নিৰ্ভৰ কৰিছিল।ইয়াত তথ্যসমূহ আছিল এনেধৰণৰ– ১৯৮১ চনৰ পৰা ১৯৯৩ চনৰ ২৭ এপ্ৰিললৈকে আপীলকাৰীৰ স্বামীয়ে অনিয়মিত কৰ্মচাৰী হিচাপে কাম কৰিছিল আৰু ৰেলৱে প্ৰতিষ্ঠান মেনুৱেলৰ ২৩১৫ নং নিয়মৰ অধীনত নিৰ্ধাৰিত কৰা ধৰণে নিয়মীয়া প্ৰতিষ্ঠানত কাম কৰি থকা বিকল্প কৰ্মচাৰীৰ মৰ্যাদা লাভ কৰিছিল। বিকল্প কৰ্মচাৰীসকলক নিয়মীয়া প্ৰতিষ্ঠানত নিযুক্তি দিয়া হৈছিল আৰু তেওঁলোকে গ্ৰহণ কৰা পদসমূহৰ ক্ষেত্ৰত নিয়মীয়া দৰমহা আৰু ভাট্টা প্ৰদান কৰা হৈছিল।যিহেতু নিয়মীয়া পদত কাম কৰি থকাৰ সময়তে তেওঁৰ মৃত্যু হৈছিল, সেয়েহে তেওঁৰ বিধৱা পত্নীয়ে পেঞ্চন আঁচনিৰ সুবিধা লাভ কৰিছিল।সেয়েহে, সেই ক্ষেত্ৰত আপীলকাৰীৰ স্বামী ৰেলৱে প্ৰতিষ্ঠানত নিয়মীয়া দৰমহাৰ স্কেলত কাম কৰা এজন বিকল্প কৰ্মচাৰী আছিল। স্পষ্টভাৱে তেওঁক পৰীক্ষা কৰা হৈছিল আৰু তেওঁক অস্থায়ী ভাৱে নিযুক্তি দিয়া হৈছিল কিন্তু অস্থায়ী পদত নিযুক্তি দিয়াৰ পৰিৱৰ্তে তেওঁক বিকল্প

কর্মচাৰী হিচাপে গণ্য কৰা হৈছিল আৰু নিয়মীয়া প্ৰাৰ্থীসকলে ছুটী লওঁতে খালী পদত নিযুক্তি দিয়া হৈছিল।এনে পৰিস্থিতিত এই ন্যায়ালয়ে ৰায় দিছিল যে এনে কৰ্মচাৰীৰ বিধৱা পত্নীয়ে পৰিয়াল পেঞ্চনৰ সুবিধা লাভ কৰাৰ অধিকাৰী। পূৰ্বে উল্লেখ কৰা গোচৰৰ ক্ষেত্ৰত ওপৰত উল্লেখ কৰা নীতি প্ৰযোজ্য নহয়।এই প্ৰশ্নটো ১৯৯৬ চনৰ ৩০ জুলাইত সিদ্ধান্ত লোৱা ভাৰত চৰকাৰ বনাম সুকান্তি আৰু আন এজন, এছ. এল. পি (চি) নং ৩৩৪১/৯৩ গোচৰত, এই ন্যায়ালয়ৰ  শেহতীয়া ৰায়দানতো বিবেচনা কৰা হৈছিল । এই গোচৰত ৰাম কুমাৰৰ গোচৰত দিয়া দৃষ্টান্তৰ ওপৰত নিৰ্ভৰ কৰি এই ন্যায়ালয়ে ৰায় দিছিল যে মৃত্যুৰ আগলৈকে নিয়মীয়া নোহোৱা অনিয়মিত শ্ৰমিকৰ বিধৱাৰ বাবে অৱসৰৰ কোনো সুবিধা উপলব্ধ নহয়। সেয়েহে, আমি এই সিদ্ধান্তত উপনীত হওঁ যে ন্যায়াধিকৰণসমূহে উত্তৰদাতাসকলক পেঞ্চনৰ সুবিধা প্ৰদানৰ সিদ্ধান্ত স্পষ্টভাৱে আইনবিৰূদ্ধ।

সেই অনুসৰি আপীলসমূহৰ অনুমতি দিয়া হয়, আৰু মূল আবেদনসমূহ খাৰিজ কৰা হয়, কিন্তু খৰচৰ ক্ষেত্ৰত কোনো আদেশ নোহোৱাকৈ। কিন্তু ন্যায়াধিকৰণৰ নিৰ্দেশ অনুসৰি যদি কোনো ধন ইতিমধ্যে প্ৰদান কৰা হৈছে তেন্তে সেই ধন গ্ৰহণকাৰীৰ পৰা আদায় কৰা নহ’ব।

আৰ.পি. আপীল মঞ্জুৰ কৰা হ’ল।

--------------------------------

অনুবাদক–কংকনা বৰা, জ্যেষ্ঠ অনুবাদক, অনুবাদ শাখা, গুৱাহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

"স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হব।"